**NSD NEWS UNIT**
AKASHVANI, GUWAHATI
0000000000

**Date :** 30-04-2026
**Time:** 19-10 Hrs

***Assamese Evening Bulletin***
**:::::::::::::::::::::::::::::::::::::::::::**

১। ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৱে আজি বৌদ্ধ পূৰ্ণিমাৰ প্ৰাক সন্ধিয়া জনসাধাৰণক ওলগ জনাইছে।
২। চৰকাৰে দেশত পৰ্যাপ্ত পৰিমাণে সাৰ মজুত আছে বুলি আশ্বাস দিছে।
৩। নিৰ্বাচন আয়োগে ভোট গণনা কেন্দ্ৰসমূহত অকৰ্তৃত্বশীল ব্যক্তিৰ প্ৰৱেশৰ সম্ভাৱনা নুই কৰাৰ উদ্দেশ্যে কিউ আৰ কোড আধাৰিত ফটোযুক্ত পৰিচয়পত্ৰ ব্যৱস্থা প্ৰৱৰ্তন কৰিছে।
৪। সংখ্যালঘু পৰিক্ৰমা মন্ত্ৰালয়ে প্ৰতিগৰাকী ভাৰতীয় ইছলাম ধৰ্মাৱলম্বী লোকৰ বাবে হজ সুচল আৰু ব্যয়সাধ্য কৰাৰ বাবে মন্ত্ৰালয় প্ৰতিশ্ৰুতিবদ্ধ বুলি প্ৰকাশ কৰিছে। ***আৰু***
৫। আই পি এল ক্ৰিকেট প্ৰতিযোগিতাত আজি আহমেদাবাদৰ নৰেন্দ্ৰ মোদী ষ্টেডিয়ামত গুজৰাট টাইটানছ, ৰয়েল চেলেঞ্জাৰ্ছ বেংগালুৰুৰ বিৰুদ্ধে অৱতীৰ্ণ হ’ব।

০০০০০

ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৱে আজি বৌদ্ধ পূৰ্ণিমাৰ প্ৰাক সন্ধিয়া জনসাধাৰণক ওলগ জনাইছে। ৰাষ্ট্ৰপতি শ্ৰীমতী মুৰ্মুৱে তেওঁৰ বাৰ্তাত কয়, যে এই পৱিত্ৰ দিনটো পৃথিৱীলৈ ভগৱান বুদ্ধৰ আগমন, জ্ঞান প্ৰাপ্তি আৰু মহা পৰিনিৰ্বাণৰ ঐতিহাসিক ঘটনাৰ প্ৰতীক। তেওঁ কয়, যে তেওঁৰ অহিংসা, কৰুণা, শান্তি আৰু জ্ঞানৰ শ্বাশ্বতঃ বাণীসমূহে মানৱ জাতিক সদায় পথ প্ৰদৰ্শন কৰি যাব। অলেখ প্ৰত্যাহ্বানেৰে ভৰা বৰ্তমানৰ সময়ত ভগৱান বুদ্ধৰ শিকনিসমূহে সকলোকে শান্তি, সহিষ্ণুতা আৰু সম্প্ৰীতিৰ পথত অগ্ৰসৰ হ’বলৈ অনুপ্ৰেৰণা যোগাব বুলি ৰাষ্ট্ৰপতিগৰাকীয়ে উল্লেখ কৰে। তেওঁ লগতে জনসাধাৰণক ভগৱান বুদ্ধৰ আদৰ্শ আকোৱালি ল’বলৈ আৰু এখন শান্তিপূৰ্ণ, সৰ্বাত্মক তথা ন্যায্য সমাজ গঢ়াত অৰিহণা আগবঢ়োৱাৰ বাবে সংকল্প ল’বলৈ আহ্বান জনায়। উল্লেখযোগ্য যে বৌদ্ধ পূৰ্ণিমাৰ দিনটোত গৌতম বুদ্ধই জন্মগ্ৰহণ কৰাৰ উপৰি সিদ্ধি লাভ কৰিছিল আৰু তেওঁ মহা পৰিনিৰ্বাণ হৈছিল। বৌদ্ধ ধৰ্মাৱলম্বী লোকসকলে পৱিত্ৰতাৰে এই দিনটো উদযাপন কৰে।

০০০০০

চৰকাৰে দেশত পৰ্যাপ্ত পৰিমাণে সাৰ মজুত আছে বুলি আশ্বাস দিছে আৰু চলিত বৰ্ষৰ খাৰিফ ঋতুৰ বাবে যোগান প্ৰয়োজনতকৈ অধিক হৈছে বুলি প্ৰকাশ কৰিছে। নতুন দিল্লীত এখন আন্তঃমন্ত্ৰালয় সংবাদমেলত ৰাসায়নিক সাৰ বিভাগৰ অতিৰিক্ত সচিব অপৰ্ণা শৰ্মাই কয় যে সাৰৰ ঘৰুৱা উৎপাদন ৬২ লাখ ৩৭ হাজাৰ মেট্ৰিকটন হোৱাৰ বিপৰীতে আমদানিৰ পৰিমাণ প্ৰায় ১৫ লাখ ৩৯ হাজাৰ মেট্ৰিকটন হৈছে। ইয়াৰ ফলত চলিত সময়ছোৱাত সাৰৰ মুঠ উপলভ্যতা ৭৮ লাখ মেট্ৰিকটন হৈছে। দেশত সাৰৰ সুৰক্ষা শক্তিশালী, সুস্থিৰ আৰু সুপৰিচালিত হৈ আছে বুলি তেওঁ মন্তব্য কৰে। পেট্ৰেলিয়াম আৰু প্ৰাকৃতিক গেছ মন্ত্ৰালয়ৰ যুটীয়া সচিব সুজাতা শৰ্মাই কয় যে সমগ্ৰ দেশতে ৰন্ধন গেছ, পেট্ৰল আৰু ডিজেলৰ যোগান অবিৰতভাৱে অব্যাহত আছে। তেওঁ কয় যে ঘৰুৱা ৰন্ধন গেছৰ যোগান সম্পূৰ্ণৰূপে নিশ্চিত কৰা হৈছে আৰু কোনো বিতৰণকাৰীৰে নাটনিৰ সমস্যা হোৱা নাই। তেওঁ কয় যে অনলাইযোগে ৰন্ধন গেছৰ

বুকিং ৯৮ শতাংশলৈ বৃদ্ধি পোৱাৰ পৰিৱৰ্তে ৯৩ শতাংশ বিতৰণ অ টি পিৰ জৰিয়তে প্ৰামানিকৰণ কৰা হৈছে। তেওঁ কয় যে ৪৩ হাজাৰ উপভোক্তাই স্বইচ্ছাই ৰন্ধন গেছৰ সংযোগ ত্যাগ কৰি পি এন জি সংযোগ গ্ৰহণ কৰিছে। তেওঁ জনসাধাৰণক আতংকিত হৈ ৰন্ধন গেছ ক্ৰয় কৰাৰ পৰা বিৰত থাকিবলৈ আহ্বান জনাইছে।

বন্দৰ, জাহাজ চলাচল আৰু জলপথ বিভাগৰ সঞ্চালক মুকেশ মংগলে কয়, যে উপ-সাগৰীয় অঞ্চলত থকা ভাৰতীয় নাৱিকসকল নিৰাপদে আছে আৰু বিগত ২৪ ঘণ্টাত ভাৰতীয় জাহাজৰ সৈতে কোনো অপ্ৰীতিকৰ ঘটনা ঘটাৰ বাতৰি পোৱা হোৱা নাই। মন্ত্ৰালয়ে ২ হেজাৰ ৮০০ ৰো অধিক ভাৰতীয় নাৱিকক নিৰাপদে স্বদেশলৈ ঘূৰাই অনাটো সুনিশ্চিত কৰিছে বুলি তেওঁ মন্তব্য কৰে।

০০০০০

নিৰ্বাচন আয়োগে ভোট গণনা কেন্দ্ৰসমূহত অকৰ্তৃত্বশীল ব্যক্তিৰ প্ৰৱেশৰ সম্ভাৱনা নুই কৰাৰ উদ্দেশ্যে ই চি আই এন ই টি মঞ্চৰ জৰিয়তে কিউ আৰ কোড আধাৰিত ফটোযুক্ত পৰিচয়পত্ৰ ব্যৱস্থা প্ৰৱৰ্তন কৰিছে। আয়োগে প্ৰকাশ কৰা মতে ৪ মে'ত হ'বলগীয়া  অসম, কেৰলম, তামিলনাডু, পশ্চিমবংগ আৰু পুডুচেৰীৰ ভোটগণনাৰ দিনৰ পৰা এই ব্যৱস্থা প্ৰযোজ্য হ'ব। কিউ আৰ আধাৰিত সত্যাসত্য নিৰূপণৰ এই ব্যৱস্থা নতুনকৈ প্ৰৱৰ্তন কৰা তিনি তৰপীয়া সুৰক্ষা ব্যৱস্থাৰ গুৰুত্বপূৰ্ণ স্তৰ হ'ব বুলি আয়োগে জানিবলৈ দিছে। আয়োগে কৈছে যে, প্ৰথম আৰু দ্বিতীয় পৰ্যায়ত ৰিটাৰ্নিং বিষয়াই জাৰি কৰা পৰিচয়পত্ৰসমূহ পৰীক্ষা কৰা হ'ব। গণনা কক্ষৰ সমীপৰ অভ্যন্তৰীণ সুৰক্ষা স্তৰত কিউ আৰ কোড স্কেনিঙৰ পাছতহে প্ৰৱেশৰ অনুমতি প্ৰদান কৰা হ'ব। আয়োগে লগতে ভোট গণনা কেন্দ্ৰ আৰু কক্ষত প্ৰৱেশৰ অনুমতি প্ৰদান কৰা ব্যক্তিসকলৰ বাবেহে নতুন কিউ আৰ কোড আধাৰিত ফটোযুক্ত পৰিচয় পত্ৰ প্ৰযোজ্য হ'ব বুলি স্পষ্ট কৰি দিছে। ইয়াৰ ভিতৰত ৰিটাৰ্নিং বিষয়া, সহকাৰী ৰিটাৰ্নিং বিষয়া, গণনাকৰ্মী, কাৰিকৰী কৰ্মী, প্ৰাৰ্থী, নিৰ্বাচনী এজেণ্ট আৰু ভোটগণনা এজেণ্ট অন্যতম।

০০০০০

কেন্দ্ৰীয় সংসদীয় পৰিক্ৰমা মন্ত্ৰী কিৰেণ ৰিজিজু ৩ দিনীয়া ভ্ৰমণসূচীৰে চিকিমত উপস্থিত হৈছে। ৰংগোত উপস্থিত হোৱাৰ সময়ত মন্ত্ৰাগৰাকীক চিকিম চৰকাৰৰ জ্যেষ্ঠ মন্ত্ৰী আৰু বিষয়াসকলে আদৰণি জনায়। কাইলৈ মন্ত্ৰীগৰাকীয়ে মংগন জিলাৰ বিভিন্ন ঠাই পৰিদৰ্শন কৰাৰ লগতে কেইবাটাও কাৰ্যসূচীত অংশগ্ৰহণ কৰিব। শ্ৰীৰিজিজুৱে মংগন জিলাৰ লানচুং মঠত হ'বলগীয়া বৌদ্ধ পূৰ্ণিমাৰ অনুষ্ঠানতো অংশ গ্ৰহণ কৰিব।

০০০০০

সংখ্যালঘু পৰিক্ৰমা মন্ত্ৰালয়ে প্ৰতিগৰাকী ভাৰতীয় ইছলাম ধৰ্মাৱলম্বী লোকৰ বাবে হজ সুচল আৰু ব্যয়সাধ্য কৰাৰ বাবে  মন্ত্ৰালয় প্ৰতিশ্ৰুতিবদ্ধ বুলি আজি প্ৰকাশ কৰিছে। হজৰ বিমান ভাড়া বৃদ্ধি সন্দৰ্ভত সংবাদ মাধ্যমত উদ্বেগ প্ৰকাশ পোৱাত মন্ত্ৰালয়ে  সামাজিক মাধ্যমৰ এটা পোষ্টত এই কথা প্ৰকাশ কৰে। মন্ত্ৰালয়ে  প্ৰকাশ কৰিছে যে পশ্চিম এছিয়াৰ সংঘাতৰ মাজত ইন্ধনৰ ব্যয় বৃদ্ধিৰ বাবে বিমান সংস্থাসমূহে ৩০০ ৰ পৰা ৪০০ ডলাৰ দাবী কৰিছিল যদিও মন্ত্ৰালয়ে প্ৰতিগৰাকী হজ যাত্ৰীৰ বাবে এশ ডলাৰৰ সীমা নিৰ্ধাৰণ কৰি ২০০ ৰ পৰা ৩০০ ডলাৰ ৰাহি কৰে। চৰকাৰৰ  প্ৰচেষ্টাৰ বাবে তীৰ্থযাত্ৰীসকল অত্যাধিক বোজাৰ পৰা ৰক্ষা পৰিছে বুলিও কোৱা হৈছে।

০০০০০

প্ৰতিৰক্ষা মন্ত্ৰী ৰাজনাথ সিঙে আজি নতুন দিল্লীত ইটালীৰ প্ৰতিৰক্ষা মন্ত্ৰী গাইড' ক্ৰছেট'ক সাক্ষাৎ কৰি পশ্চিম এছিয়াৰ সাম্প্ৰতিক পৰিস্থিতিকে ধৰি আঞ্চলিক আৰু বিশ্বব্যাপি বিভিন্ন বিষয় সন্দৰ্ভত আলোচনা কৰে। সামাজিৰ মাধ্যমৰ এটা বাৰ্তাত প্ৰতিৰক্ষা মন্ত্ৰীগৰাকীয়ে কয় যে আত্মনিৰ্ভৰ ভাৰত কাৰ্যসূচীৰ অধীনত আৰু ইটালীৰ প্ৰতিৰক্ষা

সহযোগিতাৰ পদক্ষেপৰ অধীনত পাৰস্পৰিকভাৱে লাভজনক প্ৰতিৰক্ষা, ঔদ্যোগিক সহযোগিতাৰ বিভিন্ন বিষয় সন্দৰ্ভতো নেতা দুগৰাকীয়ে মত বিনিময় কৰে। দুয়োখন দেশৰ মাজত ২০২৬-২৭ বৰ্ষৰ দ্বিপাক্ষিক সামৰিক সহযোগিতাৰ পৰিকল্পনা সন্দৰ্ভত সশস্ত্ৰ বাহিনীৰ মাজত আলোচনা অনুষ্ঠিত হয়। ইয়াৰ পূৰ্বে ইটালীৰ প্ৰতিৰক্ষা মন্ত্ৰীগৰাকীয়ে নতুন দিল্লীৰ ৰাষ্ট্ৰীয় যুদ্ধ স্মাৰকত পুষ্পাঞ্জলি অৰ্পণ কৰি সামৰিক অভিবাদন পৰিদৰ্শন কৰে।

ooooo

প্ৰতিৰক্ষা গৱেষণা আৰু উন্নয়ন সংস্থা ডি আৰ ডি অ'ই ২০২৫-২৬ বৰ্ষত ব্ৰাহ্মচ এৰোস্পেছৰ ৰাজহে ৫ হাজাৰ ২০০ কোটি টকা অতিক্ৰম কৰিছে বুলি আজি প্ৰকাশ কৰিছে। সামাজিক মাধ্যমৰ এটা পোষ্টত ডি আৰ ডি অ'ই কয় যে উত্তৰ প্ৰদেশৰ লক্ষ্নৌৰ নতুন কেন্দ্ৰটোৱে কাম আৰম্ভ কৰাৰ এবছৰৰ ভিতৰতে প্ৰথমলানি ক্ষেপনাস্ত্ৰ উৎপাদন কৰিবলৈ সক্ষম হৈছে। সংস্থাটোৱে লগতে কয় যে ২০২৫-২৬ বৰ্ষত ৪ হাজাৰ কোটি টকাৰ দুখন ৰপ্তানী চুক্তিৰ জৰিয়তে ব্ৰাহ্মচ এয়াৰস্পেছে বিশ্ব বজাৰত স্থিতি শক্তিশালী কৰিবলৈ সক্ষম হৈছে যাৰ জৰিয়তে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে নিৰ্ধাৰণ কৰা প্ৰতিৰক্ষা ৰপ্তানীৰ লক্ষ্যত উপনীত হোৱাত সহায়ক হৈছে। ব্ৰাহ্মচ এয়াৰস্পেচে নিৰ্ধাৰিত সময়ৰ ভিতৰত সশস্ত্ৰ বাহিনীৰ সকলো প্ৰয়োজন পূৰণ কৰিছে বুলিও সংস্থাটোৱে প্ৰকাশ কৰিছে।

ooooo

জম্মু আৰু শ্ৰীনগৰৰ মাজত ৰে'ল সেৱা কাৰ্যকৰী হোৱাৰ লগে লগে ৰে'ল সংযোগৰ ক্ষেত্ৰত বৃহৎ পৰিৱৰ্তন হোৱা বুলি ৰে'ল মন্ত্ৰী অশ্বিনী বৈষ্ণৱে প্ৰকাশ কৰিছে। মন্ত্ৰীগৰাকীয়ে আজি জম্মু-তৱী ৰে'লৱে ষ্টেচনৰ পৰা শ্ৰীনগৰ-জম্মু বন্দে ভাৰত এক্সপ্ৰেছ ৰে'ল সেৱাৰ শুভাৰম্ভ কৰি কয় যে এই ৰেলসেৱাই জম্মু কাশ্মীৰৰ পাহাৰীয়া অঞ্চলটোলৈ যোৱাৰ ক্ষেত্ৰত সমগ্ৰ দেশৰ যাত্ৰীসকলক উপকৃত কৰিব। এই ৰেলসেৱাই যাত্ৰী আৰু সামগ্ৰী পৰিবহনৰ ক্ষেত্ৰত গুৰুত্বপূৰ্ণ প্ৰভাৱ পেলাব বুলি তেওঁ উল্লেখ কৰে। সংবিধানৰ ৩৭০ নং অনুচ্ছেদ বাতিল কৰাৰ পিছত অঞ্চলটোত অবিৰতভাৱে উন্নয়ন অব্যাহত আছে বুলি তেওঁ উল্লেখ কৰে।

ooooo

আই টি টি এফ বিশ্ব দলীয় চেম্পিয়নশ্বিপত ভাৰতে আজি লণ্ডনত অনুষ্ঠিত গ্ৰুপ চেভেনৰ এখন খেলত শ্লোভাকিয়াক ৩-২ ব্যৱধানত পৰাস্ত কৰে। এই জয়েৰে ভাৰতে গ্ৰুপৰ পইণ্ট তালিকাত শীৰ্ষ স্থান দখল কৰিছে। ইয়াৰ পৰৱৰ্তী খেলত ভাৰত -গুৱাটেমালাৰ  বিৰুদ্ধে অৱতীৰ্ণ হ'ব। ভাৰতীয় মহিলা দলটোৱে গ্ৰুপ পৰ্যায়ৰ সামৰণি খেলত ৰাৱান্দাৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব। ভাৰতৰ পুৰুষ আৰু মহিলাৰ দল দুটাই আজি নিশা গ্ৰুপ পৰ্যায়ৰ চূড়ান্ত খেলত অৱতীৰ্ণ হ'ব।

ooooo

সংখ্যালঘু পৰিক্ৰমা মন্ত্ৰালয়ৰ সচিব ড° শ্ৰীবৎস কৃষ্ণৰ সভাপতিত্বত আজি কৰ্ণাটকৰ চৰকাৰৰ সৈতে মন্ত্ৰালয়ৰ প্ৰধানমন্ত্ৰী জন বিকাশ কাৰ্যক্ৰম, পি এম বিকাশ আৰু উমিদকে ধৰি বিভিন্ন কাৰ্যসূচীৰ অধীনত বিভিন্ন আঁচনিৰ ৰূপায়ণ আৰু অগ্ৰগতি সন্দৰ্ভত এখন পৰ্যালোচনা সভা অনুষ্ঠিত হয়। বৈঠকৰ সময়ছোৱাত সচিবগৰাকীয়ে চলি থকা আটাইবোৰ প্ৰকল্প ক্ষীপ্ৰভাৱে আগবঢ়াই নিয়াৰ বাবে সংশ্লিষ্ট সকলো বিষয়াক নিৰ্দেশ দিয়ে আৰু মন্ত্ৰালয়ৰ বিভিন্ন আঁচনিৰ অধীনত নতুন প্ৰকল্পৰ বাবে উদ্ভাৱনীমূলক প্ৰস্তাৱ আগবঢ়াবলৈ ৰাজ্য চৰকাৰক উৎসাহিত কৰে। তেওঁ শিক্ষা, দক্ষতা বিকাশ, আন্তঃগাথনি আৰু বিভিন্ন কল্যানমূলক পদক্ষেপৰ জৰিয়তে জনসাধাৰণৰ সৰ্বাঙ্গীন উন্নয়ন আৰু সংখ্যালঘু সম্প্ৰদায়ৰ সৱলীকৰণৰ বাবে কেন্দ্ৰ আৰু ৰাজ্যৰ মাজত সমন্বয় স্থাপনৰ গুৰুত্ব সন্দৰ্ভত আলোকপাত কৰে।

০০০০০

আই পি এল ক্রিকেট প্রতিযোগিতাত আজি আহমেদাবাদৰ নৰেন্দ্ৰ মোদী ষ্টেডিয়ামত গুজৰাট টাইটানছ, ৰয়েল চেলেঞ্জাৰ্ছ বেংগালুৰুৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব। খেলখন সন্ধিয়া চাৰে ৭ বজাত আৰম্ভ হ'ব।

প্ৰতিযোগিতাত যোৱা নিশা ৱাংখেড়ে ষ্টেডিয়ামত অনুষ্ঠিত খেলত ছানৰাইজাৰ্ছ হায়দৰাবাদে মুম্বাই ইণ্ডিয়ানছক ৬ উইকেটত পৰাস্ত কৰে।

০০০০০

ঃঃ সমাপ্ত ঃঃ